# Regional News Unit

All India Radio, Guwahati

0000000000

**Date :** 09-09-2024

**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যখনত তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনি ৰূপায়ণৰ বাবে বিভিন্ন দিশ চালিজাৰি চাবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আজি এখন বৈঠকত মিলিত হয়। এই পৰ্যায়ত ৩৭ লাখ মহিলা হিতাধিকাৰীৰ বেংক একাউণ্টত মাহিলী এহেজাৰ ২৫০ টকাকৈ প্ৰদানৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে আজি বৈঠকত এই আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনাসমূহ সন্দৰ্ভত আলোচনা কৰে। তেওঁ কয় যে, এইবাৰ এই আঁচনিৰ অধীনত ৰাজনৈতিকভাৱে সক্ৰিয় পৰিয়ালসমূহক এই আঁচনিৰ আওতাৰ পৰা বাহিৰত ৰখাটো নিশ্চিত কৰা হ'ব। তদুপৰি আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত ওজৰ-আপত্তি নিৰাময়ৰ বাবে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদুপৰি দৰিদ্ৰ আৰু প্ৰান্তীয় অঞ্চলৰ হিতাধিকাৰী চিনাক্ত কৰাৰ বাবে শক্তিশালী ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে, ২০২০ চনত আৰম্ভ কৰা এই আঁচনিয়ে প্ৰথম অৱস্থাত ১৯ লাখ লোকক মাহিলি ৮৩০ টকাকৈ প্ৰদান কৰিছিল। সম্প্ৰতি ৩৭ লাখ লোকক ইয়াৰ দ্বাৰা উপকৃত কৰাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে, এই আঁচনি ৰূপায়ণ কৰি অসম মহিলা হিতাধিকাৰীসকলক এনেধৰণে প্ৰথমবাৰৰ বাবে ধন প্ৰদান কৰা ৰাজ্যসমূহৰ অন্যতম হিচাপে পৰিগণিত হৈছে। দেশৰ কেবাখনো ৰাজ্যই অসমৰ পৰা এই আঁচনিৰ আৰ্হি গ্ৰহণ কৰাক লৈ মুখ্যমন্ত্ৰীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

oooooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে দক্ষিণ কামৰূপ অঞ্চলৰ পলাশবাৰীত একাংশ উদ্যোগী আৰু ব্যৱসায়ীয়ে অবৈধভাৱে চলোৱা নিৰ্মাণ কাৰ্যৰ ফলত নলা-নৰ্দমা বন্ধ হৈ সৃষ্টি হোৱা কৃত্ৰিম বান সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছে। উচ্চ ন্যায়ালয়ে কৃত্ৰিম বানৰ ঘটনাৰ তদন্তৰ বাবে অঞ্জন কলিতাক নিযুক্তি দিছে। আদালতৰ নিৰ্দেশ অনুসৰি তেওঁ অঞ্চলটোত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যা সন্দৰ্ভত ক্ষেত্ৰভিত্তিক অনুসন্ধান চলাব। অনুসন্ধান চলোৱাৰ লগতে সকলো পক্ষৰ মতামত গ্ৰহণ কৰি প্ৰতিবেদন দাখিল কৰিবলৈ শ্ৰীকলিতাক নিৰ্দেশ দিয়া হৈছে। উচ্চ ন্যায়ালয়ে অৰ্পণ কৰা দায়িত্ব তেওঁ যাতে সুচাৰুৰূপে সম্পাদন কৰিব পাৰে তাৰ বাবে স্থানীয় প্ৰশাসন আৰু আৰক্ষীক সহায় কৰিবলৈও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে পলাশবাৰী অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ সমস্যাৰ ক্ষেত্ৰত হস্তক্ষেপ বিচাৰি ৯জন স্থানীয় লোকে উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল।

oooooooo

ভাৰতীয় জনতা পাৰ্টীয়ে দেশজুৰি ৰূপায়ণ কৰা সদস্য ভৰ্তি অভিযানৰ অংশ হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে গুৱাহাটীত ১০ খন জিলাৰ দলীয় সভাপতি, মণ্ডল সভাপতি আৰু সদস্য ভৰ্তি অভিযানৰ কৰ্ম-কৰ্তাসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে আলোচনা কৰে। তেওঁ লগতে এই অভিযানৰ সবিশেষ বুজ লৈ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়ায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে, আজি এই অভিযানৰ অংশ হিচাপে দলীয় নেতৃত্বই ডিব্ৰুগড়কে ধৰি ৰাজ্যৰ ১০ খন জিলাৰ তদাৰকৰ দায়িত্ব তেওঁক অৰ্পণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিকশিত আৰু সমৃদ্ধিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে দলটোৰ সৈতে জনসম্পৰ্ক শক্তিশালী কৰিবলৈ নতুন সদস্য ভৰ্তি অভিযান তীব্ৰতৰ কৰি তোলাৰ বাবে মন্ত্ৰীগৰাকীয়ে সকলো কাৰ্যকৰ্তাক আহ্বান জনায়।

oooooooo

মাজুলীৰ শ্ৰী শ্ৰী আউনীআটী সত্ৰই প্ৰৱৰ্তন কৰা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা বঁটা, ২০২৩ৰ বাবে গোলাঘাট জিলাৰ ঢেকিয়ালৰ গৱেষক ডিম্বেশ্বৰ শইকীয়ালৈ আগবঢ়োৱা হৈছে। সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীয়ে এই বিষয়ে প্ৰকাশ কৰে। ঢেকীয়াল উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত বিষয়ৰ শিক্ষক শইকীয়াৰ কীৰ্তনৰ সমীক্ষা শীৰ্ষক গৱেষণাধৰ্মী গ্ৰন্থৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। শিক্ষকগৰাকীয়ে বৰ্তমানলৈ ৮খন গৱেষণাধৰ্মী গ্ৰন্থ ৰচনা কৰাৰ লগতে দুকুৰিৰো অধিক মননশীল প্ৰবন্ধ ৰচনা কৰিছে।

oooooooo

ট্ৰেডিঙৰ নামত গ্ৰাহকক প্ৰৱঞ্চনা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা স্বপ্ননীল দাসক আজি কামৰূপ মহানগৰ জিলাৰ সত্ৰ আৰু ন্যায়াধীশৰ আদালতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে ট্ৰেডিঙৰ নামত অবৈধ কাৰ্যকলাপ কৰাৰ অভিযোগত দিছপুৰ আৰক্ষীয়ে স্বপ্ননীল দাসক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত স্বপ্ননীলক আজি আদালতত হাজিৰ কৰোৱা হয়। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে অনলাইন ট্ৰেডিং গোচৰৰ তদন্তৰ দায়িত্ব অপৰাধ অনুসন্ধান শাখাক অৰ্পণ কৰিছে। আয়কৰ বিভাগ আৰু বিধি বলবৎকাৰী সংস্থাৰ সহযোগত আৰক্ষীয়েও এই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে। প্ৰয়োজন হ'লে তদন্তৰ দায়িত্ব কেন্দ্ৰীয় অনুসন্ধান সংস্থা চমুকৈ চি-বি-আইক অৰ্পণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে। ঘটনাত তদন্তৰ বাবে অসম আৰক্ষীয়ে বিশেষ টাস্ক ফোৰ্চ গঠন কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

00000000

**সমাপ্ত**